**2025**

# ASSAMESE

( Minor )

Paper : ASS4300104MN

( অসমৰ সংস্কৃতি অধ্যয়ন )

( SET–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) "মাধুৰ্য্য আৰু আলোকেই সংস্কৃতি"—কথাষাৰ কোনে কৈছিল?

(খ) ব্ৰহ্মপুত্ৰৰ আদি নাম কি?

(গ) জনজাতীয় সংস্কৃতিৰ আন এটি নাম কি?

(ঘ) মনসা-মাহাত্ম্যসূচক কাব্য ৰচক এগৰাকীৰ নাম লিখা।

(ঙ) 'বিহু' শব্দটো সংস্কৃত কি শব্দৰ পৰা ওলাইছে?

(চ) মাতৃ পূজা কিহৰ প্ৰতীক?

(ছ) বাথৌ পূজা কোন জনগোষ্ঠীয়ে পালন কৰে?

(জ) 'ওজাপালি'ত মুখ্য পালিজনৰ সইতে সৰ্বমুঠ কেইজন পালি থাকে?

২। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) ইংৰাজী 'FOLKLORE' শব্দৰ অৰ্থ প্ৰকাশ কৰিবৰ বাবে অসমীয়া ভাষাত ব্যৱহৃত যি কোনো দুটা পৰিভাষা উল্লেখ কৰা।

(খ) টাই-আহোমসকলে শব নিয়া চাংখনক কি বুলি কয়? চাংখনত সাধাৰণতে কেইটা খুঁটা ব্যৱহাৰ কৰা হয়?

(গ) অসমৰ দুখন শক্তিপীঠৰ নাম উল্লেখ কৰা।

(ঘ) 'আলি-আয়ে-লৃগাং' অসমৰ কোনটো জনগোষ্ঠীয়ে, কেতিয়া পালন কৰে?

(ঙ) পুতলা নাচৰ উৎপত্তিস্থল কি? পুতলাৰ প্ৰথম জন্মদাত্ৰী বুলি কাক কোৱা হয়?

(চ) 'ওজাপালি'ৰ 'ওজা' আৰু 'পালি' শব্দ দুটা ক'ৰ পৰা ওলাইছে?

(ছ) ডিমাছা আৰু কাৰ্বি সমাজত ঢোলক কি কি নামেৰে জনা যায়?

(জ) বোৰাং কি? অসমৰ কোনটো জনগোষ্ঠীৰ মাজত ইয়াৰ ব্যৱহাৰ দেখা যায়?





(ঝ) 'চাৰি সংহতি'ৰ যি কোনো দুটাৰ নাম লিখা।

(ঞ) 'দেৱদাসী'ৰ উল্লেখ থকা দুখন পুৰাণৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) গঞা সংস্কৃতি বুলিলে কি বুজা, লিখা।

(খ) 'শীতলা নাম'ৰ বিষয়ে এটি টোকা যুগুত কৰা।

(গ) অসমৰ বৈষ্ণৱ ধৰ্মীয় পৰম্পৰা সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'ন-খোৱা অনুষ্ঠান'ৰ বিষয়ে লিখা।

(ঙ) অসমৰ বাঁহ-বেতৰ শিল্প সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(চ) বড়োসকলৰ সামাজিক লোকাচাৰৰ বিষয়ে আলোচনা কৰা।

(ছ) সত্ৰীয়া নৃত্যৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা।

(জ) 'চৰিত তোলা প্ৰথা' সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অসমীয়া সংস্কৃতিত আৰ্যভিন্ন উপাদানৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(খ) অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ বৰঙণিৰ বিষয়ে আলোচনা কৰা।

(গ) দেৱদাসীসকলে ব্যৱহাৰ কৰা আ-অলংকাৰৰ বিষয়ে বহলাই আলোচনা কৰা।

(ঘ) প্ৰাচীন অসমত শৈৱ ধৰ্মৰ প্ৰসাৰ সম্পৰ্কে তোমাৰ অভিমত ব্যক্ত কৰা।

(ঙ) মংগোলীয় সংস্কৃতিৰ সাধাৰণ বৈশিষ্ট্যবোৰ কি কি? অসমত জনজাতিসকলৰ মাজত এনে লক্ষণসমূহ কেনেধৰণেৰে পৰিলক্ষিত হয়, আলোচনা কৰা।

★★★